# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 31-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বহুমুখী বিকাশৰ কাৰ্যসূচীৰ অংশ  হিচাপে আজি বিশ্বনাথ জিলাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৪০ কোটি ৬৯ লাখ টকা ব্যয় সাপেক্ষ কেইবাটাও অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ ১০ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰা আৰৰ্ত ভৱনৰ আজি উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে আজি মুকলি কৰা ১৫ কোটি ৫৭ লাখ টকা ব্যয়ৰে নিৰ্মিত বিশ্বনাথৰ স্বয়ংক্ৰিয় যান-বাহন উপযোগীতা পৰীক্ষা কেন্দ্ৰটো  দক্ষিণ-পূব এছিয়াৰ প্ৰথমটো এনে ধৰণৰ কেন্দ্ৰ আৰু যোৰহাটত শীঘ্ৰেই আন এটা কেন্দ্ৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ড° শৰ্মাই আজি কেন্দ্ৰটো উদ্বোধনৰ পাছত পৰিবহন বিভাগ আৰু কেন্দ্ৰৰ পৰিচালনাৰ দায়িত্বত থকা কোম্পানীটোৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। এক কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা জনজাতীয় জিৰণি গৃহ আৰু অতিৰিক্ত সহকাৰী আয়ুক্তৰ আবাসগৃহটো উদ্বোধন কৰে। ড° শৰ্মাই বিশ্বনাথৰ বৰগাঙৰ ধেমাজিবাৰীত নতুন ঔদ্যোগিক পামৰ আধাৰশিলাও স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে বৰঙাবাৰীৰ ছহিদ কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰাৰ পাছতে জি এম এম বিদ্যালয় আৰু পেৰামেডিকেল প্ৰতিষ্ঠান মুকলি কৰে। ই অনুষ্ঠানৰ পাছতে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে অহা ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰে।

০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত দিনজোৰা কাৰ্যসূচীৰে আজি কামৰূপ জিলা দিৱস পালন কৰা হয়। জিলা দিৱসৰ সৈতে সংগতি ৰাখি আমিনগাঁও ৰেলৱে খেলপথাৰত স্বাস্থ্য শিবিৰ আৰু এখন উদ্যান শস্য তথা আত্মসহায়ক গোটৰ মেলাৰ আয়োজন কৰা হয়। কামৰূপ জিলাৰ ঐতিহ্য আৰু সম্ভাৱনা শীৰ্ষক এখন বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতা অনুষ্ঠানত চিন্তাশীল লেখক, সাহিত্যিক ময়ুৰ বৰা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। জিলা দিৱসৰ সৈতে সংগতি  ৰাখি আয়োজন কৰা মুকলি সভাত আদৰণি ভাষণ প্ৰদান কৰে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। সভাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী  মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা আৰু মুখ্য মন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সন্ধিয়া খেলপথাৰতে বিভিন্ন গীতমাতৰ প্ৰদৰ্শনেৰে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

মঙলদৈত চপাই যুৱ কল্যান কেন্দ্ৰৰ উদ্যোগত আৰু ৪৪ সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সহযোগত চপাই নেহৰু ময়দানত ৭ দিনীয়াকৈ অনুষ্ঠিত বিহু কৰ্মশালাৰ আজি সামৰণি পৰে। শতাধিক শিশু আৰু কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰা এই বিনামুলীয়া কৰ্মশালাখনত কেইবাগৰাকীও বিহু বিশেষজ্ঞ, প্ৰশিক্ষক, বিহুৱা দলে বিহু নৃত্য আৰু ঢোল বাদন শিকায়। আজিৰ সামৰণি অনুষ্ঠানত বিহু উদযাপন সমিতিৰ সভাপতি অমিয় কুমাৰ কলিতাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু প্ৰশিক্ষক উপস্থিত থাকে।

০০০০

বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো আজি উলহ-মালহেৰে পৱিত্ৰ ঈদ-উল-ফিতৰ উদ্‌যাপন কৰা হৈছে। দিনৰ ভাগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ঈদ উপলক্ষে ৰাজ্যৰ মছজিদ আৰু ঈদগাহসমূহ আটকধুনীয়াকৈ সজাই তোলা হৈছে। লগতে অতিথিক আপ্যায়নৰ বাবে ইছলামধৰ্মী লোকসকলে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰিছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেঙনিকটীয়া, ষ্টেচন চাৰিআলি আদি অঞ্চলত  শান্তিপূৰ্ণভাৱে ঈদ পালন কৰা হয়। উজনি অসমৰ লখিমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট আদি জিলাতো আজি উলহ-মালহেৰে ঈদৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

বৰপেটা জিলাৰ ভেল্লা, কলগাছিয়া, হাউলী, মল্লিয়া, কয়াকুছি আদি অঞ্চলত অনুষ্ঠিত ঈদৰ সমূহীয়া নামাজত হাজাৰ হাজাৰ ইছলামধৰ্মী লোকে অংশগ্ৰহণ কৰে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিতৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে।  শ্ৰীভূমি জিলাত নামাজৰ লগতে শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হয়। কাছাৰ জিলাতো ইছলামধৰ্মী লোকসকলে উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিতৰ উদযাপন কৰিছে। ইপিনে ধুবুৰী, গোৱালপাৰাকে ধৰি অন্যান্য জিলাসমূহতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত ‘জিলাৰ ৰেহৰূপ’ অনুষ্ঠান আকাশবাণী সঞ্চালকৰ নিৰ্দেশ অনুসৰি কাইলৈৰ পৰিৱৰ্তে অহা ৬ এপ্ৰিলৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। ঠিক একেদৰে দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি অহা ৬ এপ্ৰিলৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ’ব। বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰো ৬ এপ্ৰিলৰ পৰা বন্ধ কৰা হ’ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড় ষ্টেডিয়ামত কোলকাতা নাইট ৰাইডাৰ্ছে - মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ১১৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

প্ৰত্যুত্তৰত আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে মুম্বাই ইণ্ডিয়ানছে ৪ টা বলত এক ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ